ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ২০১৯-২০ বৰ্ষৰ
পছন্দ ভিত্তিক মূল্যায়ন (CBCS)পাঠ্যক্ৰম অনুসৰি অসমীয়া
বিষয়ৰ দ্বিতীয় যান্মাসিকৰ উচ্চমান বিষয়ৰ (Major)
উপযোগীকৈ সম্পাদিত C-4 পাঠ্যক্ৰমৰ আধাৰত প্ৰস্তুত

# সাহিত্যতত্ত্ব

দ্বিতীয় যান্মাসিক


সম্পাদনা
ড° হেমন্ত শৰ্মা

# সাহিত্যতত্ত্ব

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ পছন্দভিত্তিক মূল্যায়ন (CBCS)
পাঠ্যক্ৰম অনুসৰি অসমীয়া বিষয়ৰ দ্বিতীয় ষান্মাসিকৰ উচ্চমান বিষয়ৰ
(Major)উপযোগীকৈ সম্পাদিত C-4 পাঠ্যক্ৰমৰ
আধাৰত প্ৰস্তুত

SPECIMENT COPY
For Favour of Recommendation
With Best Compliments of
Authors and Publisher

সম্পাদনা ঃ ড° হেমন্ত শৰ্মা

SPECIMENT COPY
For Favour of Recommendation
With Best Compliments of
Authors and Publisher

সৰস্বতী প্ৰকাশন
প্ৰকাশক আৰু কিতাপ বিক্ৰেতা
ভগৱতী প্ৰসাদ লাডিয়া পথ, গোলাঘাট— ৭৮৫৬২১

সাহিত্যতত্ত্ব

**SAHITYATATTWA :** A collection of essay based on Literary Criticism in Assamese, published by Saraswati Prakashan, Edited by Dr. Hemanta Sarmah, Assistant Professor, Department of Assamese, North Lakhimpur College (Autonomous), Lakhimpur. Assam, PIN-787031

*First Edition : January, 2020* *Price :220*

প্ৰকাশক ঃ শ্ৰীৰমেশ প্ৰসাদ লডিয়া
সৰস্বতী প্ৰকাশন
প্ৰকাশক আৰু কিতাপ বিক্ৰেতা
ভগৱতী প্ৰসাদ লডিয়া পথ, গোলাঘাট-৭৮৫৬২১
ফোন -৯৪৩৫০ ৫৩৫৭১

পৰিৱেশক ঃ ম্যাইৰা বুক ষ্টল
চি. কে. ৰোড়, পাণবজাৰ, গুৱাহাটী-১
ফোন -৯৮৬৪১ ৩৬৬৮৬
*E-mail : newage.rakesh@gmail.com*



© সম্পাদক



প্ৰকাশ কাল ঃ জানুৱাৰী ২০২০

ISBN : 978-93-82976-47-9

মূল্য ঃ ২২০.০০ টকা

মুদ্ৰণ ঃ অৰিন্দম অফ্‌চেট এণ্ড ইমাজিং চিষ্টেমচ্
ৰাজগড়, গুৱাহাটী-৩



The book is sold subject to the condition that it shall not, by way of trade or otherwise, be lent resold, hired out, or otherwise circulated in any form or buy any means electronics, mechanical, photocopying, recording or otherwise, stored form binding cover. This right is asserted by the publisher in accordance with the Copyright Act, 1957 (as amended)


# সাহিত্যতত্ত্ব

দ্বিতীয় ষান্মাসিক

## পৰীক্ষণ সমিতি

| | | |
|---|---|---|
| ড° উমেশ চন্দ্ৰ ডেকা | ঃ | অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক, অসমীয়া বিভাগ, পূব কামৰূপ মহাবিদ্যালয় |
| ধনৰঞ্জন কলিতা | ঃ | সহযোগী অধ্যাপক, অসমীয়া বিভাগ, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত) |
| ড° দীপামণি বৰুৱা দাস | ঃ | সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় |
| ড° অজিত ভৰালী | ঃ | সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, আনন্দৰাম ঢেকিয়াল ফুকন কলেজ, নগাঁও |
| ড° বুদ্ধেশ্বৰ কোঁছ | ঃ | সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, ধেমাজি মহাবিদ্যালয় |
| ড° অৰবিন্দ ৰাজখোৱা | ঃ | সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত) |
| ড° ব্ৰজেন শৰ্মা | ঃ | সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, অসম মহিলা বিশ্ববিদ্যালয় |
| ড° ৰাতুল ডেকা | ঃ | সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, বড়োলেণ্ড বিশ্ববিদ্যালয় |

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
## স্নাতক পৰ্যায়ৰ অসমীয়া উচ্চমানৰ পাঠ্যক্ৰম
## সাহিত্যতত্ত্ব (Poetics)

পাঠ্যক্ৰমৰ সংখ্যা ঃ C-4 ( 6 Credit)

মুঠ নম্বৰ ঃ ১০০

চূড়ান্ত পৰীক্ষাৰ মূল্যায়ন ঃ ৮০
আভ্যন্তৰীণ মূল্যায়ন ঃ ২০

অসমীয়া সাহিত্য অধ্যয়নৰ তাত্ত্বিক আধাৰৰূপে ভাৰতীয় তথা পাশ্চাত্য সাহিতত্ত্বৰ জ্ঞান অপৰিহাৰ্য। এই দুই পৰম্পৰাৰ সাহিত্যতত্ত্বৰ প্ৰাথমিক জ্ঞান দিবৰ বাবে এই কাকত প্ৰস্তুত কৰা হৈছে।

| | | |
|---|---|---|
| গোট ঃ ১ | শব্দশক্তি, ৰস, ধ্বনি, গুণ, ৰীতিৰ সাধাৰণ পৰিচয় | ১৬ |
| গোট ঃ ২ | ধ্ৰুপদবাদ, ৰহস্যবাদ, ৰমন্যাসবাদ, বাস্তৱবাদ, আধুনিকতাবাদৰ সাধাৰণ পৰিচয় | ১৬ |
| গোট ঃ ৩ | শব্দালংকাৰ আৰু ইয়াৰ প্ৰকাৰ অৰ্থালংকাৰ আৰু ইয়াৰ প্ৰকাৰ | ১৬ |
| গোট ঃ ৪ | ছন্দৰ উপাদান ঃ পৰ্ব, চৰণ, স্তৱক | ১৬ |
| গোট ঃ ৫ | অসমীয়া ছন্দৰীতি ঃ স্বৰবৃত্ত, মাত্ৰাবৃত্ত, যৌগিক বিভিন্ন ছন্দসজ্জা ঃ পদ, দুলড়ী, লেছাৰি, অমিতাক্ষৰ, মুক্তক | ১৬ |

# আগকথা

সাহিত্যৰ নান্দনিক তথা তাত্ত্বিক দিশসমূহক লৈ অসমীয়া সাহিত্যত ইতিমধ্যে ভালেসংখ্যক গ্ৰন্থ প্ৰকাশ হৈছে। তীৰ্থনাথ শৰ্মা, ত্ৰৈলোক্যনাথ গোস্বামী, মহেন্দ্ৰ বৰা, নগেন শইকীয়া আদি পণ্ডিতৰ মহান অৱদানে অসমীয়া সাহিত্যতত্ত্বৰ প্ৰায়বোৰ দিশকে সমৃদ্ধ কৰি থৈ গৈছে। তদুপৰি প্ৰাচ্য নন্দনতত্ত্বৰ ভালেকেইখন গ্ৰন্থ অসমীয়া ভাষালৈ অনূদিত হৈছে। সম্প্ৰতি বিশ্ববিদ্যালয় অনুদান আয়োগে পছন্দ ভিত্তিক মূল্যায়ণ পদ্ধতি প্ৰৱৰ্তন কৰিছে। এই পদ্ধতিত অসমৰ দুখন প্ৰধান বিশ্ববিদ্যালয়ে পাঠ্যক্ৰম আৰম্ভ কৰিছে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ে অসমীয়া বিষয়ক কেন্দ্ৰ কৰি সাহিত্যতত্ত্ব আৰু সমালোচনাৰ নানা দিশক সামৰি এখন মানসম্পন্ন পাঠ্যক্ৰম প্ৰস্তুত কৰি উলিয়াইছে। এই পাঠ্যক্ৰমৰ উপযোগীকৈ এখন গ্ৰন্থৰ প্ৰয়োজন অনুভৱ কৰি সাহিত্যতত্ত্ব গ্ৰন্থখন সম্পাদনাৰ প্ৰয়াস কৰা হ'ল। ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যক্ৰমৰ লগতে আনুষংগিক দিশসমূহ যাতে সহজে আয়ত্ত কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি নানাজনৰ পৰামৰ্শ গ্ৰহণ কৰা হ'ল। তেওঁলোকৰ ইতিবাচক সঁহাৰিয়ে এই প্ৰয়াসত যথেষ্ট সাহস যোগালে। গ্ৰন্থখন সম্পাদনা কৰোঁতে বিদ্যায়তনিক দিশটোৰ উপৰিও সাধাৰণ পাঠকেও যাতে ইয়াৰপৰা উপকৃত হ'ব পাৰে তাৰ প্ৰতি সম্পূৰ্ণ লক্ষ্য ৰখা হৈছে।

গ্ৰন্থখন সম্পাদনা কৰিবলৈ যাওঁতে প্ৰথমতেই এখন পৰীক্ষণ সমিতি প্ৰস্তুত কৰি ল'বলগা হৈছিল। লেখাসমূহ ধৈৰ্য-সহকাৰে পৰীক্ষা কৰি প্ৰকাশৰ উপযোগী কৰি তোলাত সহায় কৰা বাবে পৰীক্ষণ সমিতিৰ প্ৰতিজন সদস্যলৈ এই ছেগতে কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ। লেখকসকলৰ পৰা লাভ কৰা ইতিবাচক সঁহাৰিৰ বাবে তেওঁলোকৰ প্ৰতি অশেষ কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ। সম্পাদনাৰ সময়ছোৱাত নানা প্ৰকাৰে পৰামৰ্শ প্ৰদান কৰি অনুপ্ৰাণিত কৰা মোৰ গৱেষণাৰ গুৰু ড° উমেশ চন্দ্ৰ ডেকা ছাৰক কৃতজ্ঞতা জনাবলৈ ভাষাৰ অভাৱ অনুভৱ কৰিছোঁ।

গ্ৰন্থখনৰ সম্পাদনাৰ খুঁটি নাটি আঙুলিয়াই ছাঁৰ দৰে লাগি থকা সহধৰ্মিনী ড° প্ৰণীতা শৰ্মাৰ সহায় অবিহনে হয়তো গ্ৰন্থখনৰ বহুতো দিশ অসম্পূৰ্ণ হৈ ৰ'লহেতেন। লগতে পিতৃৰ সান্নিধ্যৰ পৰা আঁতৰি ত্যাগ স্বীকাৰ কৰি পৰোক্ষভাৱে সহায় কৰা আমাৰ কন্যা যশস্যা নন্দিনীক শলাগ ল'লোঁ। প্ৰকাশক ৰমেশ লড়িয়াৰ নেৰানেপেৰা অনুৰোধ আৰু তাগিদা হৈছে গ্ৰন্থখন প্ৰকাশৰ প্ৰধান জুমুঠি।

এখন গ্ৰন্থৰ সফলতা আৰু বিফলতা সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে পাঠকৰ সঁহাৰিক কেন্দ্ৰ কৰিহে। সদাশয় পাঠক সমাজে ভুল ত্ৰুটীসমূহ আঙুলিয়াই দিলে পৰৱৰ্তী সংস্কৰণত সেইবোৰ দূৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা হ'ব। সদৌশেষত ছাত্ৰ তথা পাঠক সমাজে গ্ৰন্থখন সহৃদয়তাৰে আকোঁৱালি ল'ব বুলি আশা ৰাখিলোঁ।

হেমন্ত শৰ্মা
১০ জানুৱাৰী, ২০২০

# বিষয়-সূচী

গোট ঃ ১ শব্দশক্তি, ৰস, ধ্বনি, গুণ, ৰীতিৰ সাধাৰণ পৰিচয়
শব্দশক্তি ● ড° বুদ্ধেশ্বৰ কোঁচ/১১
ৰস আৰু ধ্বনি ● ড° ব্ৰজেন শৰ্মা/২০, গুণ আৰু ৰীতি ● ড° ব্ৰজেন শৰ্মা/৩৭

গোট ঃ ২ ধ্ৰুৱবাদ, ৰহস্যবাদ, ৰমন্যাসবাদ, বাস্তৱবাদ, আধুনিকতাবাদৰ সাধাৰণ পৰিচয়
ধ্ৰুৱবাদ ● চন্দনজ্যোতি চুতীয়া/৪৯, ৰসহ্যবাদ ● ড° স্মৃতিৰেখা চেতিয়া সন্দিকৈ/৫৫, ৰমন্যাসবাদ ● চয়নিকা বৰা/৬৫, বাস্তৱবাদ ● জীৱমণি নাথ/৭৩
আধুনিকতাবাদ ● ড° অৰবিন্দ ৰাজখোৱা/৭৭

গোট ঃ ৩ শব্দালংকাৰ আৰু ইয়াৰ প্ৰকাৰ, অৰ্থালংকাৰ আৰু ইয়াৰ প্ৰকাৰ
শব্দালংকাৰ আৰু ইয়াৰ প্ৰকাৰ ● ধ্ৰুৱ কুমাৰ চৰ্দাৰ/৮৭
অৰ্থালংকাৰ আৰু ইয়াৰ প্ৰকাৰ ● ড° হেমন্ত শৰ্মা/১০১

গোট ঃ ৪ ছন্দৰ উপাদান ঃ পৰ্ব, চৰণ, স্তৱক
ছন্দৰ উপাদান ঃ পৰ্ব, চৰণ, স্তৱক ● ৰুবী বৰা/১২৪

গোট ঃ ৫ অসমীয়া ছন্দৰীতি ঃ স্বৰবৃত্ত, মাত্ৰাবৃত্ত, যৌগিক
অসমীয়া ছন্দৰীতি ঃ স্বৰবৃত্ত, মাত্ৰাবৃত্ত, যৌগিক ● জ্যোতিস্মান দাস/১৩০
বিবিধ ছন্দসজ্জা ঃ পদ, দুলড়ী, লেছাৰি, অমিতাক্ষৰ, মুক্তক ● কুসুম্বৰ চেতিয়া/১৪০

## সংযোজন

কবিতাত কল্পনাৰ স্থান ● ড° অজিত ভৰালী/১৫০, চিত্ৰকল্প আৰু চিত্ৰকল্পবাদ ● ড° গকুল কুমাৰ দাস/১৬০, প্ৰতীকবাদ (Symblism) ● সমুজ্জ্বল শইকীয়া/১৭২
উত্তৰ আধুনিকতাবাদ আৰু সাহিত্য ● ড° ৰাতুল ডেকা/১৮৩
ট্ৰেজেডি ঃ সংজ্ঞা আৰু স্বৰূপ বিচাৰ ● ড° সঞ্জীৱ বৰা/১৯০
এবচাৰ্ড নাটক ● ড° নয়নমণি বৰুৱা/১৯৭
বাৰ্টোল্ট ব্ৰেখটৰ নাট্যধাৰা — মহাকাব্যিক নাট (Epic Theatre) ● ড° নয়নমণি বৰুৱা/২০৫, চুটিগল্পৰ ৰূপ-বৈচিত্ৰ্য ● ড° প্ৰণীতা শৰ্মা/২১৫
উপন্যাসৰ ৰূপ-বৈচিত্ৰ্য ● ভাস্কৰ ভূএগ্ৰা/২৩৭
লেখক পৰিচিতি ● ২৫১

# অসমীয়া ভাষাৰ বিভিন্ন ছন্দ সজ্জা ঃ

## পদ, দুলড়ি, লেছাৰি, অমিতাক্ষৰ, মুক্তক আদি

কুসুম্বৰ চেতিয়া

ভাৰতীয় অলংকাৰ শাস্ত্ৰৰ বিভিন্ন তাত্ত্বিক দিশবিলাকৰ ভিতৰত ছন্দ অন্যতম। কাব্য সৃষ্টিৰ অন্তৰালত বা কাব্যৰ সৌন্দৰ্য পানৰ ক্ষেত্ৰত যিদৰে ৰস, ধ্বনি, বক্ৰোক্তি, অলংকাৰ আদিয়ে স্বকীয় ভূমিকা পৰিগ্ৰহণ কৰে, ঠিক তেনেদৰে ছন্দইও কাব্যৰ শৰীৰ নিৰ্মাণৰ ক্ষেত্ৰত অভিনৱত্ব গ্ৰহণ কৰে। প্ৰকৃতাৰ্থত ছন্দ এক প্ৰকাৰৰ সৌন্দৰ্য, যি শব্দ বিন্যাসৰ প্ৰকাৰৰ ফলত জন্ম হয়। সাধাৰণ অৰ্থত শব্দৰ নিয়মিত বিন্যাস-ব্যৱস্থাৰ মাজেদি কাব্যৰ লয়পূৰ্ণ সৌন্দৰ্য সাধনকেই ছন্দ বুলি অভিহিত কৰিব পৰা যায়। এই ক্ষেত্ৰত ব্যৱস্থিত বিৰাম বা যতিয়ে মুখ্য ভূমিকা পালন কৰে, কাৰণ বিৰাম বা যতিৰ কাৰণেহে কোনো ৰচনা অৰ্থপূৰ্ণ তথা ছন্দোবদ্ধ ৰূপত গঠন হয়। অন্যথা বিৰাম বা যতিৰ সুসংহত ব্যৱহাৰ অবিহনে ছন্দই নিজৰ ৰচনা লালিত্য আৰু অৰ্থব্যঞ্জনা উভয়বিধকে হেৰুৱাব পাৰে।

ছন্দ কি- এই ধাৰণা হ'বলৈ বা ছন্দ সম্পৰ্কে বুজিবলৈ হ'লে প্ৰথমতে ছন্দৰ লগত ওতঃপ্ৰোতভাৱে জড়িত কিছুমান দিশ বুজি লোৱাৰ দৰকাৰ। অন্যথা ছন্দৰ ধাৰণা পৰ্বতত কাছ কণী বিচৰাতকৈ কোনো গুণে কম নহ'ব। ছন্দ অধ্যয়নৰ ক্ষেত্ৰত গুৰুত্ব দিবলগা এই প্ৰাথমিক ধাৰণাসমূহ এনেধৰণৰ—

**অক্ষৰ বা ধ্বনি ঃ**

এককৰূপে একেবাৰতে উচ্চাৰিত শব্দৰ ক্ষুদ্ৰতম অংশকেই অক্ষৰ



বা ধ্বনি বুলি কোৱা হয়। ভাৰতীয় অলংকাৰ শাস্ত্ৰত 'ধ্বনি' শব্দই ব্যঞ্জনাক বুজায় আৰু বিভিন্ন অভিধানত 'অক্ষৰ' শব্দই আখৰক বুজায়। কিন্তু ছন্দৰ ক্ষেত্ৰত 'অক্ষৰ' শব্দই বৰ্ণ বা আখৰক নুবুজায়। বৰ্ণ আৰু অক্ষৰৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে 'ছন্দ' শব্দত থকা বৰ্ণ হ'ব-ছ্ +অ+ ন+ দ+ অ। আনহাতে 'ছন্দ' শব্দৰ অক্ষৰ বা ধ্বনি হ'ব- ছন্+ দ। গতিকে ছন্দ অধ্যয়নত অক্ষৰ বা ধ্বনি আৰু বৰ্ণৰ স্পষ্ট ধাৰণা থকা অতি দৰকাৰ।

**মাত্ৰা ঃ**

এটা অক্ষৰ বা ধ্বনি উচ্চাৰণ কৰিবলৈ ন্যূনতম যিমান সময় লাগে, সাধাৰণ অৰ্থত সেই সময়ৰ পৰিমাপকেই মাত্ৰা বোলা হয়। হ্ৰস্ব অক্ষৰৰ উচ্চাৰণ কাল একমাত্ৰা আৰু দীৰ্ঘ অক্ষৰৰ উচ্চাৰণ কাল দুই মাত্ৰা। সংস্কৃতত অ, ই, উ, ঋ, ঌ আদিবোৰ হ্ৰস্বস্বৰ আৰু এইবোৰৰ উচ্চাৰণ কাল এক মাত্ৰাৰ। অন্যহাতে- আ, ঈ, ঊ,ঌ, এ, ঐ, ও, ঔ আদিবোৰ দীৰ্ঘস্বৰ আৰু এইবোৰৰ উচ্চাৰণ কাল দুই মাত্ৰাৰ। তদুপৰি সংস্কৃতত অনুস্বাৰ-বিসৰ্গযুক্ত বৰ্ণ, যুক্তাক্ষৰৰ পূৰ্ববৰ্ণ আৰু দীৰ্ঘস্বৰযুক্ত বৰ্ণবোৰো দীৰ্ঘস্বৰ হোৱা হেতুকে এইবোৰৰ উচ্চাৰণ কালো দুই মাত্ৰাৰ। অসমীয়াত ঐ আৰু ঔ-এই দুটাৰ বাদে বাকীবোৰ বৰ্ণ দুইমাত্ৰাত উচ্চাৰিত নহয়। ফলস্বৰূপে ঐ আৰু ঔ দ্বিমাত্ৰিক হোৱা বাবে পদ্য বা কবিতাত ইয়াৰ ব্যৱহাৰ প্ৰায়ে ভাঙি লিখা পৰিলক্ষিত হয়। উদাৰহৰণস্বৰূপে—

মৌপিয়া- মউপিয়া।

**যতিঃ**

যতি শব্দৰ অৰ্থ বিৰাম। অৰ্থাৎ কাব্যৰ যি ঠাইত ৰোৱাৰ ফলত শুনিবলৈ ভাল হয়, এটা লয় অনুভুত হয়, ঠিক সেইখিনিতেই ৰোৱাকে যতি বোলা হয়। প্ৰকৃততে যতিক ছন্দৰ তাল বুলিব পাৰি। যতিয়ে ভাৱ-তৰংগৰ মাজেদি যেনিতেনি যাবলৈ নিদি ছন্দক সংযমিত আৰু লগতে সুললিত কৰি তোলে। যতি অবিহনে ছন্দ সুললিত আৰু অৰ্থপূৰ্ণ নহয়। উদাহৰণস্বৰূপে-

"পাছে ত্ৰিণয়ন          দিব্য উপবন
দেখিলন্ত বিদ্যমান।"

ইয়াত প্ৰথম ছয় অক্ষৰ আৰু দ্বিতীয ছয় অক্ষৰৰ পিছত অলপ বিৰাম পৰিছে আৰু পাছৰ আঠ অক্ষৰৰ পিছত তাতকৈ অলপ বেছি বিৰাম পৰিছে। ফলত নিৰ্দিষ্ট ছন্দৰূপত থকাৰ বাবে কথাখিনি সুললিত আৰু অৰ্থপূৰ্ণ হোৱা পৰিলক্ষিত হৈছে।

**পৰ্ব ঃ**

প্ৰতিটো বিৰাম বা যতিয়ে ভাগ কৰি দিয়া অংশসমূহক পৰ্ব বোলা হয়। উদাহৰণস্বৰূপে

"পাছে ত্ৰিনয়ন দিব্য উপবন
দেখিলন্ত বিদ্যমান।"

—এই অংশৰ পৰ্বৰ সংখ্যা তিনিটা। 'পাছে ত্ৰিনয়ণ', 'দিব্য উপবন', 'দেখিলন্ত বিদ্যমান'- আদি অংশবোৰ প্ৰত্যেকেই একো একোটা পৰ্ব, কাৰণ বিৰাম বা যতিয়ে এই অংশবোৰৰ মাজত কিছু দূৰত্ব বা ব্যৱধান আনি দিছে।

**চৰণ বা পাদ ঃ**

যেতিয়া কেইবাটাও পৰ্ব একেলগ হৈ থাকে তেতিয়া তাক চৰণ বা পাদ বোলা হয়। চৰণ বা পাদৰ মাজেদি সম্পূৰ্ণ অৰ্থ প্ৰকাশিত হ'ব লাগিব বুলি কোনো কথা নাই। উদাহৰণস্বৰূপে—

"পাছে ত্ৰিনয়ন দিব্য উপবন
দেখিলন্ত বিদ্যমান।
ফল ফুল ধৰি জকমক কৰি
আছে যত বৃক্ষমান।।"

—এই স্তবকৰ প্ৰথম শাৰীত দুটা,.দ্বিতীয় শাৰীত এটা, তৃতীয় শাৰীত দুটা আৰু চতুৰ্থ শাৰীত এটা অৰ্থাৎ মুঠ ছটা পৰ্ব আছে। মুঠ ছটা পৰ্ব হ'লেও ইয়াৰ চৰণ বা পদৰ সংখ্যা দুই। প্ৰথম তিনিটা পৰ্বৰে এটা চৰণ আৰু পিছৰ তিনিটা পৰ্বৰে এটা চৰণ বা পাদ গঠন হৈছে। অৱশ্যে ছন্দ অনুসৰি এই পৰ্ব আৰু চৰণৰ হিচাপ সুকীয়া সুকীয়া। উদাহৰণস্বৰূপে পদ ছন্দত একোটা শাৰী মানেই একোটা চৰণ বা পাদ। এই ছন্দত একোটা চৰণত দুটাকৈ পৰ্ব থকা পৰিলক্ষিত হয়। যেনে-

" নাৰী গণো শুনিলেক, কৃষ্ণ আসিবাৰ।
উৰুক মুৰুক কৰি, পিন্ধে অলংকাৰ।।"

—ইয়াত প্ৰতিটো শাৰীয়েই একোটা চৰণ আৰু প্ৰতিটো চৰণেই দুটা পৰ্বৰ সমষ্টি।

**স্তবক ঃ**

একাধিক চৰণ লগ হৈ যেতিয়া কোনো ছন্দোবদ্ধ ৰচনাই একোটা পূৰ্ণভাৱ প্ৰকাশ কৰিব পাৰে, তেতিয়া তাকে স্তবক বোলা হয়। উদাহৰণস্বৰূপে-



" লংকাপুৰী দেখিলন্ত, ত্ৰিকূট উপৰে।
দুতি অম্ৰাৱতী যেন, সমুদ্ৰ ভিতৰে।।"

**অন্ত্যমিল ঃ**

অন্ত্যমিল হ'ল কোনো স্তৱকৰ চৰণান্তিক ধ্বনিৰ মিল। অসমীয়া ছন্দত চৰণান্তিক মিল এটা গুৰুত্বপূৰ্ণ অংগ। পুৰণি অসমীয়া সাহিত্যৰ ডাকৰ বচন, ফকৰা যোজনা, মন্ত্ৰ, সাথৰ, লোকগীত আদিত অন্ত্যমিল সাধাৰণতে লক্ষ্য কৰা যায়। অৱশ্যে এইবোৰৰ অন্ত্যমিল থাকিলেও ছন্দৰ গুণাগুণ সকলো সময়তে ৰক্ষিত নহয়। ছন্দৰ অন্ত্যমিলৰ উদাহৰণ তলত উল্লেখ কৰা ধৰণৰ-

" লংকাপুৰী দেখিলন্ত, ত্ৰিকূট উপৰে।
দুতি অম্ৰাৱতী যেন, সমুদ্ৰ ভিতৰে।।"

—উল্লিখিত স্তৱকৰ শেষত 'ৰে' ৰ মিল পৰিলক্ষিত হৈছে। উল্লেখনীয় যে অসমীয়া ছন্দত অন্ত্যমিল অপৰিহাৰ্য অংগ যদিও, সংস্কৃত সাহিত্যৰ ছন্দত অন্ত্যমিল অপৰিহাৰ্য নহয়।

এইবোৰৰ উপৰিও ছন্দ সম্পৰ্কীয় আলোচনাত লয়, স্বৰাঘাত, সমবৃত্ত, অৰ্ধসমবৃত্ত আদি বিষয়বোৰৰো কিছু গুৰুত্ব থকা পৰিলক্ষিত হয়।

গীতত যিদৰে লয় অপৰিহাৰ্য, ঠিক তেনেদৰে ছন্দতো লয় থাকিলে ছন্দৰ লালিত্য বৃদ্ধি পায়। লয় মানে সাধাৰণভাৱে মাত্ৰা, অক্ষৰ, স্বৰ বা শব্দৰ সংখ্যানুপাতিক বিন্যাসৰ ফলত অনুভূত হোৱা তৰংগিত স্পন্দন।

তেনেদৰে শব্দ উচ্চাৰণ কৰোঁতে কোনো অংশত নিশ্বাসৰ বল প্ৰয়োগ কৰা হয়, আৰু তেনে কৰিলে উচ্চাৰণত হেঁচা পৰে। এনে উচ্চাৰণত দিয়া হেঁচায়েই স্বৰাঘাত। ইংৰাজী কবিতাত ই অপৰিহাৰ্য অংগ। ভাৰতীয় ভাষাৰ ছন্দত স্বৰাঘাতৰ বিশেষ গুৰুত্ব থকা দেখা নাযায়।

সমবৃত্ত ছন্দত পদবোৰ সমান জোখৰ। মাত্ৰাৰ পৰিমাণেই হওক বা অক্ষৰৰ পৰিমাণেই হওক সকলো সমান জোখৰ হ'লে ই সমবৃত্ত হয়।

অৰ্ধ সমবৃত্তত প্ৰথম-তৃতীয়, দ্বিতীয়-চতুৰ্থ বা তৃতীয়-ষষ্ঠ পদবোৰ সমপৰিমাণৰ হয়। বিষমবৃত্তত আটাইকেইটা পদ বিভিন্ন জোখৰ হয়।

সামগ্ৰিক দৃষ্টিৰে বিচাৰ কৰিলে ছন্দক প্ৰধানতঃ দুটা ভাগত ভাগ কৰিব পাৰি- মিত্ৰাক্ষৰ ছন্দ আৰু অমিত্ৰাক্ষৰ ছন্দ।

**মিত্ৰাক্ষৰ ছন্দ ঃ**

যিবিলাক ছন্দত চৰণান্তিক মিল থাকে, তেনে ছন্দক মিত্ৰাক্ষৰ ছন্দ

বোলে। এনে মিল প্ৰতিটো স্তবকৰ একচৰণৰ শেষৰ সস্বৰ-ব্যঞ্জনৰ বা কেৱল স্বৰৰ লগত আন চৰণৰ সস্বৰ-ব্যঞ্জনৰ বা কেৱল স্বৰৰ মিল। মিত্ৰাক্ষৰ ছন্দৰ কাব্যশৰীৰ অলংকাৰৰ নিচিনা একে, কিয়নো মিত্ৰাক্ষৰ ছন্দৰ বৈশিষ্ট্যৰ লগত অন্ত্যানুপ্ৰাস অলংকাৰৰ বৈশিষ্ট্য একে। অসমীয়া সাহিত্যত পদ, দুলড়ী, ছবি, লেচাৰি, ঝুনা, ঝুমুৰি, কুসুমমালা আদিবোৰ মিত্ৰাক্ষৰ ছন্দৰ ভিতৰত ধৰা হয়। তলত মিত্ৰাক্ষৰ ছন্দৰ চমু পৰিচয় দাঙি ধৰা হৈছে—

**পদ ছন্দ ঃ**

যিবিলাক ছন্দত দুটাকৈ শাৰী বা চৰণ থাকে আৰু প্ৰতি শাৰীতে চৈধ্যতাকৈ অক্ষৰ থাকে, তেনে ছন্দক পদ ছন্দ বোলে। পুৰণি অসমীয়া সাহিত্যৰ সৰহসংখ্যক কাব্যই পদত ৰচিত। সংস্কৃত সাহিত্যত যিদৰে অনুষ্টুভ ছন্দৰ বহুল প্ৰয়োগ হৈছিল; ঠিক তেনেদৰে পুৰণি অসমীয়া সাহিত্যটো পদ ছন্দৰ ব্যৱহাৰ হৈছিল। পদ ছন্দৰ বিশেষত্ব এই যে এই ছন্দত প্ৰত্যেক শাৰীৰ অষ্টম অক্ষৰত বিৰাম বা যতি পৰে। উদাহৰণস্বৰূপে-

"প্ৰথমে প্ৰণমো ব্ৰহ্ম/ৰূপী সনাতন।
সৰ্ব অৱতাৰৰ কা/ৰণ নাৰায়ণ।।"

- পুৰণি অসমীয়া সাহিত্যৰ সৰহভাগ ঠাই পদ ছন্দই অধিকাৰ কৰি ৰাখিছে। পদ ছন্দক 'পয়াৰ' বুলিও অভিহিত কৰা হয়।

**দুলড়ী ছন্দ ঃ**

অসমীয়া ছন্দবিলাকৰ ভিতৰত উল্লেখযোগ্য এটা ছন্দ হ'ল দুলড়ী ছন্দ। দুলড়ী ছন্দত চাৰিটা শাৰী থাকে আৰু মুঠ ছটা পৰ্ব থাকে। এই ছন্দত ছয় অক্ষৰযুক্ত পৰ্ব প্ৰথম শাৰীত আৰু তৃতীয় শাৰীত দুটাকৈ আৰু আঠ অক্ষৰযুক্ত পৰ্ব দ্বিতীয় আৰু চতুৰ্থ শাৰীত এটাকৈ মুঠ ছটা পৰ্ব থাকে। তদুপৰি দুলড়ী ছন্দত দ্বিতীয় শাৰীৰ শেষ অক্ষৰ আৰু চতুৰ্থ শাৰীৰ শেষ অক্ষৰৰ মাজত অন্ত্যমিল লক্ষ্য কৰা যায়। উদাহৰণস্বৰূপে-

"কৃষ্ণৰ বিক্ৰম/ দেখি ঋষৰাজ/ ৬-৬
পৰম বিস্ময় মনে // -৮
স্বামী হেন জানি/ বুলিবা লাগিল/ ৬-৬
প্ৰণামী কৃষ্ণ চৰণে// -৮



উপৰোক্ত উদাহৰণটো দুলড়ী ছন্দৰ অন্যতম উদাহৰণ। ইয়াত 'মনে' আৰু 'চৰণে' ৰ অন্ত্যমিল হৈছে। তিনিটা পৰ্বৰ পিছতে ইয়াত যতি নিয়ন্ত্ৰিত হৈছে। সেইবাবে দুলড়ী ছন্দক 'ত্ৰিপদী' ছন্দ বুলিও অভিহিত কৰা হয়। অসমৰ বিয়ানাম, বিহুনাম, আইনাম আদিবোৰৰ সৰহভাগেই দুলড়ী ছন্দত ৰচিত। বিশেষকৈ প্ৰয়বোৰ বিহুনামেই দুলড়ী ছন্দত ৰচিত। অসমীয়া সাহিত্যত পদৰ পিছতে দুলড়ী ছন্দৰ স্থান বুলি ক'ব পৰা যায়।

**লেছাৰি ছন্দ ঃ**

লেছাৰি ছন্দ এবিধ এবিধ দীঘলীয়া ছন্দ। বহু সময়ত লেছাৰি ছন্দক 'দীৰ্ঘ ত্ৰিপদী' বুলিও অভিহিত কৰা হয়। লেছাৰি ছন্দৰ শাৰীৰ সংখ্যা চাৰি আৰু চৰণৰ সংখ্যা ছয়। এই ছন্দৰ প্ৰথম, দ্বিতীয়, চতুৰ্থ আৰু পঞ্চম চৰণত অক্ষৰ সংখ্যা দহটাকৈ থাকে। তেনেদৰে তৃতীয় আৰু ষষ্ঠ চৰণত চৈধ্যটাকৈ অক্ষৰ থাকে। দহ অক্ষৰীয়া চৰণ চাৰিটাৰ প্ৰত্যেকৰে পৰ্ব সংখ্যা দুই। প্ৰথম পৰ্বত ছয়টা অক্ষৰ আৰু দ্বিতীয় পৰ্বত চাৰিটা অক্ষৰ থাকে। উদাহৰণস্বৰূপে—

" হৰিৰ গুণৰ দেখা বল লভিলেক যিটো মোক্ষ ফল
তাহাৰাসবৰো চিত্তক আনয় টানি।
এতেকে নিপুন যিটো যন কৃষ্ণৰ চৰণে দিয়া মন
হৰিৰ গুণক নাছাৰিবা সাৰ জানি।।"

—লেছাৰি ছন্দ অত্যন্ত লেহেমীয়া আৰু দীঘল ছন্দ। সুৰ ধৰি গাওঁতে লেছাৰি কোবাই যায় কাৰণে এই ছন্দৰ নাম লেছাৰি ছন্দ ৰখা হয়।

**অমিত্ৰাক্ষৰ ছন্দ ঃ**

অসমীয়া ছন্দৰ এটা বিশেষ ভাগ হৈছে অমিত্ৰাক্ষৰ ছন্দ। কাব্য পংক্তিৰ অক্ষৰৰ মিল -অমিলৰ ওপৰত নিৰ্ভৰ কৰি ছন্দক—মিত্ৰাক্ষৰ বা মিলিতান্ত আৰু অমিত্ৰাক্ষৰ বা অমিলিতান্ত —এই দুটা ভাগত ভাগ কৰিব পৰা যায়। পদ বা পয়াৰ নামৰ ছন্দৰ পৰিৱৰ্তন ঘটিয়েই অমিত্ৰাক্ষৰ ছন্দৰ জন্ম হৈছে। উল্লেখনীয় যে পদ ছন্দত কবিৰ চিন্তাপ্ৰবাহৰ পৰিসৰ সংকীৰ্ণ; কিয়নো এই ছন্দ সজ্জাত প্ৰতি চৰণৰ আঠ মাত্ৰাৰ অন্তৰে অন্তৰে উপযতি আৰু ছয় মাত্ৰাৰ অন্তৰে অন্তৰে পূৰ্ণ যতি পৰে। ফলত কবিমনৰ সকলো কথা এনে পৰিসৰত পূৰ্ণ প্ৰকাশ কৰাৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হয়।

বিশেষকৈ এই অসুবিধাৰ মাত্ৰা অক্ষৰৰ অন্ত্যমিলে আৰু অধিক কৰি তোলে। ফলস্বৰূপে এনে গণ্ডীৰ পৰা কবিসকল বাহিৰ ওলাই আহি অমিত্ৰাক্ষৰৰ নিচিনা একশ্ৰেণীৰ নতুন ছন্দৰ সূচনা কৰিলে, য'ত কবিৰ ভাৱ-প্ৰৱাহ সাৱলীল আৰু পূৰ্ণ ৰূপত প্ৰকাশ কৰাৰ সুবধা আহি পৰিল।

অমিত্ৰাক্ষৰ ছন্দৰ মূল কথা হ'ল শেষ অক্ষৰৰ অমিল আৰু ভাৱৰ প্ৰৱহমানতা গুণ। অৱশ্যে শেষ অক্ষৰৰ অমিলতকৈ ভাৱৰ প্ৰৱহমানতাহে অমিত্ৰাক্ষৰ ছন্দৰ মূল সঁচাৰ-কাঠি। প্ৰৱহমানতাৰ অভাৱত অমিলিতান্ত পদৰ সৃষ্টি হ'লেও সি অমিত্ৰাক্ষৰ ছন্দৰ গুণ ৰক্ষা কৰিব নোৱাৰে। ছন্দগুণ ৰক্ষিত হ'বলৈ হ'লে ভাৱৰ প্ৰৱহমান গুণ অক্ষুণ্ণ থকাৰ নিতান্তই আৱশ্যক। অমিত্ৰাক্ষৰ ছন্দত অৰ্থবোধ সুস্পষ্ট কৰি তোলাৰ উদ্দেশ্যে যিকোনো ঠাইতে অলপ বা পূৰ্ণ বিৰাম হয়। পংক্তিৰ শেষত কোনো বিৰাম নহ'বও পাৰে আৰু অন্ত্যমিল দেখা নাযায়। প্ৰকৃতাৰ্থত অমিত্ৰাক্ষৰ ছন্দৰ যোগেদি অসমীয়া কবিতাই পৰম্পৰাগত গতানুগতিক ছন্দোবন্ধনৰ পৰা মুক্তিলাভ কৰিলে আৰু ইয়াৰে আলমত পৰৱৰ্তী সময়ত মুক্তক ছন্দই বিকাশ লাভ কৰিলে। সেয়েহে সমালোচকসকলে অমিত্ৰাক্ষৰ ছন্দক মুক্তক ছন্দৰ আদিগুৰু বুলি অভিহিত কৰিব বিচাৰে। অমিত্ৰাক্ষৰ ছন্দৰ নিদৰ্শন এনেধৰণৰ-

" আহা হে দুৰাশা, তুমি নিত্য সহচৰী
হিতেশ্বৰ, দিয়া বল ভগ্ন হৃদয়ত;
ভগা বীণা পুনু আজি বাজোক উলাহে
(যদিওবা ভগ্নসুৰ) কাৰোবা যদিও
নজনমে তৃপ্তি শুনি ই ঝঙ্কাৰধ্বনি।"

উল্লিখিত উদাহৰণটিত ক'তো অক্ষৰ মিল দেখা নাযায়। কিন্তু পংক্তিটোত ভাৱৰ প্ৰৱহমানতা গুণ অক্ষুণ্ণ আছে।

উল্লেখযোগ্য যে বাংলা সাহিত্যত মাইকেল মধুসূদন দত্তৰ হাততে পোনপ্ৰথম বাৰৰ বাবে অমিত্ৰাক্ষৰ ছন্দৰ আৰম্ভণি ঘটে। অসমীয়া সাহিত্যত অমিত্ৰাক্ষৰ ছন্দৰ আৰম্ভণি কৰে ভোলানাথ দাসে। ভোলানাথ দাসৰ পিছতে ৰমাকান্ত চৌধুৰীয়ে অসমীয়াত অমিত্ৰাক্ষৰ ছন্দত কাব্য ৰচনা কৰে। পৰৱৰ্তী কালত হিতেশ্বৰ বৰবৰুৱা, দণ্ডিনাথ কলিতা আদিয়ে অমিত্ৰাক্ষৰ ছন্দত অনেক কাব্য ৰচনা কৰি অসমীয়া অমিত্ৰাক্ষৰ ছন্দৰ ধাৰাটোক সমৃদ্ধ কৰি তোলে।



মুক্তক ছন্দ ঃ

মুক্তক ছন্দক সমালোচক সকলে ছন্দৰীতি নুবুলি ছন্দসজ্জা বুলিহে ক'ব খোজে। অমিত্ৰাক্ষৰ ছন্দৰ দৰে পৰিৱৰ্তন লাভ কৰি মুক্তক ছন্দৰ নিচিনা ছন্দ সজ্জাৰ সৃষ্টি হৈছে। বিশেষকৈ আধুনিক কবিসকলৰ হাতত এই ছন্দ সজ্জাই অধিক সমৃদ্ধি লাভ কৰে। মুক্তক ছন্দই পুৰণি ছন্দ সজ্জাৰ পৰম্পৰাগত ধাৰণা আৰু বিশেষত্বৰ পৰা ফালৰি কাটি আহি এক নতুন ৰূপ পৰিগ্ৰহ কৰে। মুক্তক ছন্দৰ নামটোৰ দৰেই ই মুক্ত। অৱশ্যে মুক্তক ছন্দই ছন্দোবন্ধনৰ বাহ্যিক ৰূপৰ পৰা ফালৰি কাটি আহি নতুন ৰূপ লৈছে আৰু এই ক্ষেত্ৰত ছন্দৰ আভ্যন্তৰীণ দিশ যেনে- পৰ্বৰ বিন্যাস, যতিৰ সংস্থাপন আদি দিশবোৰ উপেক্ষিত হোৱা নাই। প্ৰকৃতাৰ্থত মুক্তক ছন্দত নিৰ্দিষ্ট ৰূপকল্পৰ পৰা ধ্বনিপ্ৰবাহৰ মুক্তি ঘটিল। আনবোৰ ছন্দৰ দৰে এই ছন্দই বৰ্হিৰংগ বন্ধনৰ পৰা ফালৰি কাটি আহি এক নতুন বৈশিষ্ট্য যুক্ত বিচিত্ৰ ছন্দৰীতিৰ সৃষ্টি কৰিলে।

অমিত্ৰাক্ষৰ ছন্দ যিদৰে প্ৰৱহমান ছন্দ, ঠিক সেইদৰে মুক্তক ছন্দও প্ৰৱহমান ছন্দ। কিন্তু অমিত্ৰাক্ষৰ ছন্দৰ দৰে মুক্তক ছন্দৰ বাহ্যিক গঠন এক নিৰ্দিষ্ট ছন্দ সজ্জাৰ নহয়। মুক্তক ছন্দৰ পংক্তিসমূহ সাধাৰণতে সম আয়তন বিশিষ্ট হোৱা দেখা নাযায়; কিয়নো এই ছন্দ সজ্জাত কোনো বাহ্যিক ছন্দ সজ্জাৰ বন্ধন নাই। মুক্তক ছন্দৰ পৰ্ববোৰৰ দৈৰ্ঘ্যৰ সমতা দেখা নাযায়। পৰ্ববোৰৰ চুটি চুটি আৰু ধ্বনিবিন্যাস সম আয়তন বিশিষ্ট নহয়। তেনেদৰে অন্ত্যমিলো ইয়াত গুৰুত্বপূৰ্ণ নহয়। এই ছন্দৰ মূল দিশটো লয়ৰ ওপৰত নিৰ্ভৰশীল। সেয়ে বহুতে এই ছন্দক লয়যুক্ত গদ্য বুলিও অভিহিত কৰিব বিচাৰে।

আধুনিক কবিতাবোৰ প্ৰায়বোৰেই মুক্তক ছন্দত ৰচনা কৰা। আধুনিক কবিতাবোৰৰ যিকোনো কবিতাকেই এই ছন্দৰ শাৰীত ৰাখিব পৰা যায়। উদাহৰণস্বৰূপে—

"কাৰ্ফুৰ সময় হ'ল।
সূৰ্যস্নাতা নগৰীৰ । আঁচলৰ। শেষ ৰশ্মিকণো।
শুহি ল'লে। ৰাতিৰ আকাশে।
নিস্তব্ধ মৰণ নামে। নগৰীৰ ধমনীত। কৰোঁ অনুভৱ।
কাজিৰঙা ডবকাৰ। আৰণ্যক অপস্মাৰ।
সৰীসৃপ ক্ৰূৰ মৃত্যু...। সৰ্পিল জীৱন।

পলাতক। দৈনন্দিন। নিয়ন-উজ্বল। গধূলিৰ
ৰঙা নীলা শেঁতা মুখ।
হেনা মধুমালা। আৰু অলকানন্দাৰ।"

(নৰকান্ত বৰুৱা)

উপৰোক্ত কবিতাৰ পংক্তিবোৰত প্ৰৱহমানতা গুণ ৰক্ষিত হোৱাৰ বাদে পুৰণি ছন্দ সজ্জাৰ কেনো নিয়মেই ৰক্ষিত হোৱা নাই। অক্ষৰৰ সমমাত্ৰা তথা অন্ত্যমিলো ইয়াত ৰক্ষা হোৱা নাই। তথাপি মুক্তক ছন্দৰ কবিতা হিচাপে মূল বক্তব্য প্ৰকাশ কৰাত ইয়াত ক'তো বাধা পৰিলক্ষিত হোৱা নাই। এনেবোৰ গুণৰ কাৰণে বৰ্তমান সময়ত মুক্তক ছন্দৰ জনপ্ৰিয়তা অধিক হোৱা পৰিলক্ষিত হয়।

মুক্তক ছন্দ সম্পৰ্কে নানা মুণিৰ নানা মত। এই ছন্দ সজ্জাৰ জন্ম স্থান হ'ল ফ্ৰান্স। ফৰাচী ভাষাত এই ছন্দৰ নাম VERSE LIBRE বোলা হয়। ইংৰাজীত ইয়াৰ নাম FREE VERSE। বঙালী কবি সত্যেন্দ্ৰনাথে ইয়াৰ সমাৰ্থক হিচাপে 'মুক্তবন্ধ' শব্দটি ব্যৱহাৰ কৰিছিল। ইয়াৰ উপৰিও বাংলা ভাষাত মুক্তক ছন্দ, মুক্তছন্দ, মুক্তক বন্ধ, মুক্তক আদি প্ৰতিশব্দ ব্যৱহাৰ কৰা দেখা যায়। অসমীয়া ভাষাত এই ছন্দ সজ্জাক সাধাৰণতে 'মুক্তকচ্ছন্দ' বা 'মুক্তক ছন্দ' নামেৰে ব্যৱহাৰ কৰা হয়।

সাম্প্ৰতিক সময়ত মুক্তক ছন্দই ব্যাপক জনপ্ৰিয়তা লাভ কৰিছে। বাকী ছন্দ সজ্জাতকৈ মুক্তক ছন্দ সজ্জাৰ সমাদৰহে বৰ্তমান অধিক। প্ৰায়বোৰ ভাষাতেই মুক্তক ছন্দই গুৰুত্বপূৰ্ণ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। অসমীয়া সাহিত্যতো অনেক ন-পুৰণি কবিয়ে এই ছন্দত কাব্য ৰচনা কৰি ইয়াৰ প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলিব পাৰি।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

সাহিত্য বিদ্যা পৰিক্ৰমা ঃ তীৰ্থনাথ শৰ্মা
অসমীয়া ছন্দ শিল্পৰ ভূমিকা ঃ নৰকান্ত বৰুৱা
অসমীয়া কবিতাৰ ছন্দ ঃ মহেন্দ্ৰ বৰা
সাহিত্য প্ৰৱেশ ঃ হৰিনাথ শৰ্মা দলৈ
সাহিত্য সমীক্ষা ঃ মহেশ্বৰ নেওগ

# সাহিত্যতত্ত্ব

সৰস্বতী প্ৰকাশন
প্ৰকাশক আৰু কিতাপ বিক্ৰেতা
ভাগৱতী প্ৰসাদ লাডিয়া পথ
গোলাঘাট

প্ৰচ্ছদ সজ্জা ঃ মনজিৎ ৰাজখোৱা